**জনসংযোগ, কামৰূপ মহানগৰ** **প্ৰেছ বাৰ্তা নং ১৩৫/২০২১**

**কাইলৈ আনুষ্ঠানিকভাৱে ২.৮৮ লোকৰ বাবে পানী যোগানৰ শুভাৰম্ভ**

গুৱাহাটী, ৩০ জুলাই : কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ৭ টা পানীযোগান আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱা ১০১৭ টা গৃহ-সংযোগ শনিবাৰে ১০.৩০ বজাত আনুষ্ঠানিকভাৱে হিতাধীকাৰীসকলক হস্তান্তৰ কৰা হ'ব। পশ্চিম গুৱাহাটী, কাঁহিকুছি গাওঁ পঞ্চায়তৰ 'কুৰৰীগাওঁ পানী যোগান আঁচনি' আৰু আমছিং গাওঁ পঞ্চায়তৰ অধীনৰ 'ঝৰ্ণাবস্তি পানী যোগান আঁচনি'ৰ প্ৰাংগণত এই উদ্দেশ্যে অনুষ্ঠিত সভাত সংশ্লিষ্ট বিধায়কসকলে হিতাধীকাৰীসকলক আনুষ্ঠানিক হস্তান্তৰ কৰিব।

উল্লেখযোগ্য যে, সমগ্ৰ ৰাজ্যখনতে জলজীৱন মিচনৰ অধীনত ২০২১-২২ বিত্তীয় বৰ্ষত ইতিমধ্যে ২.৮৮ লাখ খোৱাপানীৰ গৃহ -সংযোগ দিয়া হৈছে। ইয়াৰ ভিতৰত অকল জুলাই মাহতে ১.০০ লাখৰো অধিক গৃহ-সংযোগ দিয়া হৈছে। আনহাতে, অধিক লোকক পানী যোগান ধৰাৰ বাবে গৃহ-সংযোগৰ কাম চলি আছে।